অধ্যায় ৮ ঃ ভাৰতীয় অৰ্থনীতিত তৃতীয় খণ্ডৰ ভূমিকা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সেৱা খণ্ড
৮.৪ ভাৰতীয় অৰ্থনীতিত তৃতীয় খণ্ডৰ পৰিৱৰ্তনশীল ভূমিকা
৮.৫ তথ্য-প্ৰযুক্তি আৰু অন্য সেৱা খণ্ডবোৰৰ শেহতীয়া বিকাশ
৮.৬ সেৱা খণ্ডৰ প্ৰধান সমস্যাবোৰ
৮.৭ পৰামৰ্শমূলক নীতি-নিয়ম
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সেৱা খণ্ডৰ ধাৰণাটো বুজি পাব আৰু ইয়াৰ বিভিন্ন উপাদান চিনাক্ত কৰিব পাৰিব
- ভাৰতীয় অৰ্থনীতিত সেৱা খণ্ডৰ গুৰুত্ব বৰ্ণনা আৰু ইয়াৰ পৰিৱৰ্তনশীল ভূমিকা আলোচনা কৰিব পাৰিব
- সেৱা খণ্ডৰ বিভিন্ন উপাদানৰ ক্ৰমবৰ্দ্ধিত মাত্ৰাবোৰ বৰ্ণনা কৰিব পাৰিব
- ভাৰতত সেৱা খণ্ডই সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানবোৰ আলোচনা কৰিব পাৰিব
- ভাৰতত সেৱা খণ্ডই সন্মুখীন হোৱা কিছুমান বিশেষ সমস্যা আঁতৰাবলৈ প্ৰয়োজন হোৱা কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিব আৰু ইয়াৰ ভৱিষ্যৎ বিকাশ সুদৃঢ় কৰাৰ উপায় আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ পথ সাৱধানে লক্ষ্য কৰিলে আমি দেখিম যে দেশখনৰ বৰ্তমানৰ বিকাশটো হ'ল সেৱা খণ্ডৰ জৰিয়তে হোৱা বিকাশ। পাৰ হৈ যোৱা বছৰবোৰত সৰ্বমুঠ ঘৰুৱা উৎপাদন (GDP)ত সেৱা খণ্ডৰ অৱিহণাৰ পৰিমাণ ক্ৰমে বাঢ়ি গৈ আছে; ইয়াৰ বিপৰীতে কৃষিখণ্ডৰ অৱদান দ্ৰুতগতিত অৱনমিত হৈছে। আনহাতে, দেশখনৰ ঔদ্যোগিক বিকাশৰ হাৰ কম-বেছি পৰিমাণে স্থিৰ হৈ আছে। ১৯৫০-৫১ চনৰ পৰা ২০১৩-১৪ চনৰ পৰিসংখ্যালৈ লক্ষ্য কৰিলে গম পোৱা যাব যে এই সময়ছোৱাত (GDP)ত কৃষিখণ্ডৰ অৱদান ৫৩ শতাংশৰ পৰা ১৩.৯ শতাংশলৈ কমিছে। কিন্তু, ১৯৫০-৫১ চনত প্ৰায় ৩০ শতাংশ অৱদান আগবঢ়োৱা

সেৱাখণ্ডই ২০১৩-১৪ চনত ৫৯.৯% অৱদান আগবঢ়াইছে। ১৯৮০-৮১ চনৰ পৰা বিকাশৰ পথেৰে অগ্রসৰ হোৱা সেৱা খণ্ডই ১৯৯০-৯১ চনৰ দশকত উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ পাছত এক স্পষ্ট পৰিঘটনাৰ ৰূপ লৈছিল। ২০০০-০১ চনৰ পৰা সেৱা খণ্ডই ভাৰতীয় অর্থনীতিৰ বিকাশক সর্বোচ্চ শিখৰত উপনীত হোৱাত সহায় কৰিছিল। 'সেৱা খণ্ড'ই সামৰি লোৱা বাণিজ্য, হোটেল, পৰিবহন আৰু সংযোগ, বিত্ত, বীমা, স্থাবৰ সম্পত্তি, সামূহিক সেৱা, সামাজিক তথা ব্যক্তিগত সেৱাকে ধৰি সকলো খণ্ডতে তাৎপর্যপূর্ণ বিকাশ ঘটাৰ পৰিপ্রেক্ষিতত ভাৰতীয় অর্থনীতিত উচ্চ বিকাশ হাৰ দেখা পোৱা গৈছিল। এইটো কাৰণতে, ভাৰতীয় অর্থনীতিত সেৱা খণ্ডৰ বিভিন্ন মাত্রাৰ তাৎপর্য আলোচনা কৰাটো গুৰুত্বপূর্ণ। (শেহতীয়া পৰিস্থিতিৰ বাবে অনুগ্রহ কৰি অধ্যায় ৭ ৰ চিত্র ৭.২ চাওক।)

৮.৩ সেৱা খণ্ড

'সেৱা খণ্ড' হ'ল সেৱা আগবঢ়োৱা খণ্ড। অর্থবিজ্ঞানৰ ভাষাত, চাহিদাৰ ভিত্তিত সম্পাদন কৰা আৰু প্রাসংগিক বজাৰত এক মূল্য নির্ধাৰিত হোৱা যিকোনো কার্যাৱলী অথবা কার্যকে 'সেৱা' বোলা হয় (MacMillan Dictionary of Modern Economics)। 'সেৱা'ক এক অস্থাৱৰ সামগ্রী (intangible goods) বুলিও জনা যায়। 'সেৱা'ক উৎপাদন স্থলীতে উপভোগ কৰা হয় আৰু সেৱাবোৰ সাধাৰণতে অ-হস্তান্তৰসাধ্য। কিছু বছৰ আগলৈকে ভাৰতৰ GDPত সেৱাখণ্ডৰ অৱদান আছিল নিচেই সামান্য। এই খণ্ডত নিয়োগৰ সুবিধাও সীমিত আছিল। এইবোৰ কাৰণতে 'সেৱাখণ্ড'ক 'তৃতীয় খণ্ড' (tertiary sector) নাম দিয়া হৈছিল। 'তৃতীয়ক' বুজোৱা ইংৰাজী শব্দ 'tertiary' ৰ অর্থ হ'ল তিনি নম্বৰ স্থান। পৰম্পৰাগত অর্থনীতিত মুঠ তিনিটা খণ্ড থাকে— প্রধান খণ্ড, গৌণ খণ্ড আৰু তৃতীয় খণ্ড। প্রধান খণ্ডত কৃষি আৰু অন্য সহযোগী সেৱাবোৰৰ সৈতে জড়িত কার্যকলাপক সামৰি লোৱা হয়। গৌণ খণ্ডত ঔদ্যোগিক কার্যকলাপ আৰু তৃতীয় খণ্ডত বাণিজ্য, হোটেল আৰু ৰেস্তোৰাঁ, পৰিবহন, ভাণ্ডাৰ আৰু সংযোগ, বিত্ত, বীমা স্থাৱৰ সম্পত্তি, ব্যৱসায়িক সেৱা আৰু সামূহিক- সামাজিক- ব্যক্তিগত সেৱাবোৰক ৰখা হয়। (National Accounts ৰ শ্রেণীবিভাজন)।



জানি থোৱা ভাল

- চাহিদাৰ ভিত্তিত সম্পাদন কৰা আৰু প্রাসংগিক বজাৰত এক মূল্য নির্ধাৰিত হোৱা যিকোনো কার্যাৱলী অথবা কার্যকে 'সেৱা' বোলা হয়।
- 'সেৱা' সমূহ অ-হস্তান্তৰসাধ্য। 'সেৱা'ত কোনো 'মধ্যস্থ মুনাফা' (Arbitrages) নাথাকে। অর্থাৎ, কোনো 'সেৱা' কিনি সেয়া অন্য এক মূল্যত পুনৰ বেচিব নোৱাৰি।
- প্রায়বোৰ উন্নত দেশতে সেৱা খণ্ডই জিডিপিৰ প্রধান অংশ অৰিহণা যোগায় আৰু উৎপাদন খণ্ডতকৈ তিনিগুণ বেছি নিযোগ সৃষ্টি কৰে।

- সেৱাখণ্ডৰ দ্ৰুত বিকাশৰ আঁৰৰ প্ৰধান কাৰণবোৰ হ'ল দ্ৰুত নগৰীকৰণ, ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণ আৰু মধ্যৱৰ্তী তথা চূড়ান্ত উপভোক্তা সেৱাৰ বৰ্দ্ধিত চাহিদা। সমগ্ৰ অৰ্থনীতিৰ উৎপাদনশীলতা আৰু প্ৰতিদ্বন্দ্বিতামূলক বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ বাবে এনে সেৱাবোৰৰ ফলপ্ৰসূতা অতি আৱশ্যকীয় হৈ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সেৱা খণ্ড বুলিলে কি বুজা যায়?

.....

.....

.....

প্ৰশ্ন ২ ঃ ভাৰতত কোনটো অৰ্থনৈতিক খণ্ডক প্ৰধান খণ্ড বুলি কোৱা হয়?

.....

.....

.....

৮.৪ ভাৰতীয় অৰ্থনীতিত তৃতীয় খণ্ডৰ পৰিৱৰ্তনশীল ভূমিকা

পূৰ্বতে ভাৰতৰ দৰে প্ৰায় সকলোবোৰ উন্নয়নশীল দেশতেই কৃষিয়ে সৰ্বমুঠ ঘৰুৱা উৎপাদন (GDP)ত সৰ্বাধিক অৱিহণা আগবঢ়াইছিল। কিন্তু শেহতীয়া বৰ্ষবোৰত এই ছবিখন সলনি হৈছে। এতিয়া GDP ত সবাতোকৈ অধিক অৱিহণা সেৱা খণ্ডই আগবঢ়াবলৈ লৈছে। সমগ্ৰ বিশ্বতে বৰ্তমান সেৱা খণ্ডই উপাৰ্জন আৰু নিয়োগ-দুয়োটা দিশতে সুযোগ সৃষ্টিকাৰী খণ্ডৰূপে এক দ্ৰুত পৰিৱৰ্তনশীল ৰূপ ধাৰণ কৰিছে। ভাৰততো কৃষি খণ্ডৰ সলনি সেৱা খণ্ডত বিকাশ পৰিলক্ষিত হৈছে। এই বিকাশে কৃষিৰ পৰা উদ্যোগ আৰু উদ্যোগৰ পৰা সেৱা খণ্ডৰ বিকাশৰ যিটো পৰম্পৰাগত আৰ্হি সেয়া অনুসৰণ কৰা নাই। ভাৰতৰ সাম্প্ৰতিক বিকাশ হ'ল সেৱা খণ্ডৰ জৰিয়তে হোৱা বিকাশ। বিকাশৰ এনে পথক সেৱা খণ্ডৰ বিপ্লৱ বুলি অভিহিত কৰিব পাৰি। শেহতীয়া বৰ্ষবোৰত ভাৰতত সেৱা খণ্ডৰ এক অগ্ৰণী খণ্ডৰূপে উত্থান ঘটিছে। খণ্ডটোৱে ভাৰতৰ GDP লৈ সৰ্ববৃহৎ অৱিহণা আগবঢ়াবলৈ লৈছে। দেশত কৃষি খণ্ডৰ পাছত সেৱা খণ্ডই হ'ল নিয়োগৰ সুবিধা সৃষ্টিকাৰী দ্বিতীয়টো সৰ্ববৃহৎ খণ্ড।

স্বাধীনতাৰ সময়ত ভাৰতৰ ৰাষ্ট্ৰীয় আয়লৈ সৰ্বনিম্ন অৱদান আগবঢ়োৱা এই খণ্ডৰ ভূমিকা বৰ্তমান সৰ্বোচ্চ অৱদান আগবঢ়োৱা খণ্ডৰ ভূমিকালৈ পৰিবৰ্তিত হৈছে। তলৰ আলোচনাত কথাটো বহলাই-বুজোৱাৰ প্ৰয়াস কৰা হৈছে।

- **সৰ্বমুঠ ঘৰুৱা উৎপাদন (GDP)লৈ অৱিহণাঃ** পূৰ্বতে ভাৰতৰ GDP লৈ সেৱা খণ্ডৰ অৱদান আছিল নগণ্য। কিন্তু শেহতীয়া বৰ্ষবোৰত খণ্টোৱে GDP লৈ বৰ্দ্ধিত মাত্ৰাত অৱদান আগবঢ়োৱাটো পৰিলক্ষিত হৈছে। ১৯৫০-৫১ বৰ্ষত ভাৰতৰ GDP লৈ তৃতীয় খণ্ডটোৱে

মাত্ৰ এক তৃতীয়াংশ অৰিহণা আগবঢ়াইছিল। তাৰ তুলনাত ২০০৯-১০ বৰ্ষত খণ্ডটোৱে ৫৭% অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। তলৰ তালিকাখনত ভাৰতৰ GDP লৈ সেৱা খণ্ডই আগবঢ়োৱা অৱদানৰ পৰিৱৰ্তনশীল ছবিখন তুলি ধৰাৰ চেষ্টা কৰা হৈছে।


তালিকা ৮.১ ঃ ভাৰতৰ GDP লৈ সেৱা খণ্ডৰ অৱদান

বৰ্ষ	১৯৫০	১৯৬০	১৯৭০	১৯৮০	১৯৯০	২০০০	২০১০-১১	২০১৩-১৪	২০১৪-১৫
সেৱাখণ্ড	২৯.৮	৩২.৮	৩৫.৯	৪০.৩	৪৫.৭	৫৩.৭	৫৭.৪৮	৫৯.৯৩	৫০.১

উৎসঃ (i) ADB Economics Working Paper Series No. 352: The Services Sector in India : June 2013; (ii) পৰিকল্পনা আয়োগৰ ভাৰতীয় অর্থনীতি সম্পর্কীয় ২ নং তালিকা; ডিচেম্বৰ ২৩, ২০১৪।

শেহতীয়া বছৰবোৰত জিডিপিত তিনিটা খণ্ডৰ অৱদান, অর্থাৎ ২০১৫-১৬ চনৰ পৰা ২০২২-২৩ চনলৈকে চিত্ৰ ৮.১ ত দেখুওৱা হৈছে। চিত্ৰ ৮.১ ৰ তলৰ অংশত কৃষি খণ্ডৰ অৱদান, মধ্যভাগত উদ্যোগ খণ্ডৰ অৱদান আৰু ওপৰৰ অংশত সেৱা খণ্ডৰ অৱদান দেখুওৱা হৈছে। স্পষ্টভাৱে, সেৱা খণ্ডৰ অৱদান সর্বাধিক হৈছে। কৃষি খণ্ডতকৈ উদ্যোগ খণ্ডৰ অৱদান অধিক হৈছে।

চিত্ৰ ৮.১: ২০১৫-১৬ চনৰ পৰা ২০২২-২৩ চনলৈকে অর্থনৈতিক খণ্ডসমূহৰ মাজত মুঠ ঘৰুৱা উৎপাদন (জিডিপি) বিতৰণ



উৎসঃ https://www.statista.com/statistics/271329/distribution-of-gross-domestic-product-gdp-across-economic-sectors-in-india/

শেহতীয়া বছৰবোৰত সেৱা খণ্ডই বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শসিত অঞ্চল (কেন্দ্ৰীয় শাসিত অঞ্চল)ৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত যথেষ্ট অৱহমা যোগাইছে। তদুপৰি ত্ৰিপুৰা,

নাগালেণ্ড, পশ্চিম বংগ, মহাৰাষ্ট্ৰ, বিহাৰ, তামিলনাড়ু,কেৰালা, দিল্লী আৰু চণ্ডীগড়ে জি এছ ডি পিত ৫৫.৭% ৰ অধিক অংশ বাকী থকা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলতকৈ ৰেকৰ্ড কৰিছে। এইদৰে, ভাৰতৰ ৰাজ্যসমূহৰ জি এছ ডি পিত সেৱা খণ্ডৰ অনুভূমিতভাৱে অধিক অংশ দেখা গৈছে।


- **সেৱাখণ্ডৰ দ্ৰুত বিকাশঃ** ভাৰতত সেৱা খণ্ডৰ সম্প্ৰসাৰণৰ ফলাফল হিচাপে আমি শেহতীয়া বৰ্ষবোৰত ভাৰতে উপনীত হোৱা উচ্চতৰ যৌগিক বাৰ্ষিক বিকাশ হাৰ (Compound Annual Growth Rate/ CAGR) ৰ কথা উল্লেখ কৰিব পাৰোঁ।

  শেহতীয়া বছৰবোৰত সেৱা খণ্ডই বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শসিত অঞ্চল (কেন্দ্ৰীয় শাসিত অঞ্চল)ৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP)ত যথেষ্ট অৰিহণা যোগাইছে। তদুপৰি ত্ৰিপুৰা, নাগালেণ্ড, পশ্চিম বংগ, মহাৰাষ্ট্ৰ, বিহাৰ, তামিলনাড়ু, কেৰালা, দিল্লী আৰু চণ্ডীগড়ে জি এছ ডি পিত ৫৫.৭% অধিক অংশ বাকী থকা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলতকৈ অধিক ৰেকৰ্ড কৰিছে। এইদৰে, ভাৰতৰ ৰাজ্যসমূহৰ জি এছ ডি পিত সেৱা খণ্ডৰ অনুভূমিতভাৱে অধিক অংশ দেখা গৈছে।

- **সেৱাখণ্ডই নিয়োগৰ সুবিধা সৃষ্টি কৰিছে ঃ** ভাৰতত প্ৰাচীন কালৰে পৰা আজিলৈকে প্ৰধান খণ্ডটোৱে সৰ্বাধিক নিয়োগ সুবিধা সৃষ্টি কৰি আহিছে। কিন্তু বৰ্তমান নিয়োগ সুবিধা সৃষ্টিৰ দিশত সেৱা খণ্ডৰ শতকৰা পৰিমাণো বাঢ়িছে। ১৯৯৩-৯৪ বৰ্ষত ভাৰতৰ প্ৰধান খণ্ডটোৰ নিয়োগৰ সুবিধা সৃষ্টিৰ হাৰ আছিল ৬৪.৭৫% । ২০০৯-১০ বৰ্ষত এই হাৰ নিম্নগামী হৈ ৫৩.২% হয়গৈ।

  ২০০৯-১০ চনত NSSO ই প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি মুখ্য আৰু গৌণ খণ্ডত সাধাৰণতে কৰ্মৰত ব্যক্তিসকলৰ প্ৰতি ১০০০ গৰাকীৰ ভিতৰত ৬৭৯ গৰাকী ব্যক্তি গ্ৰামাঞ্চলৰ কৃষি খণ্ডৰ সৈতে জড়িত আৰু ২৪১ গৰাকী ব্যক্তি নিৰ্মাণ কাৰ্যকে ধৰি অন্য সেৱাখণ্ডত নিয়োজিত আৰু মাত্ৰ ৮০ গৰাকী ব্যক্তি ঔদ্যোগিক খণ্ডত কৰ্মৰত। একেদৰে, ভাৰতৰ নগৰ অঞ্চলত প্ৰতি ১০০০ গৰাকী লোকৰ ভিতৰত মাত্ৰ ৭৫ গৰাকী লোক কৃষি খণ্ডত, ৬৮৩ গৰাকী লোক সেৱা খণ্ডত আৰু ২৪২ গৰাকী লোক ঔদ্যোগিক খণ্ডত কৰ্মৰত। চিত্ৰ ৮.২ ত অৰ্থনীতিৰ বিভিন্ন খণ্ডই দুটা সময়সীমা অৰ্থাৎ ১৯৯১ আৰু ২০১৮ চনত নিয়োগ প্ৰদানৰ দিশত আৰু লগতে জিডিপি গঠনত অৰিহণা যোগোৱাৰ পৰিস্থিতিটো দেখুওৱা হৈছে। আমি ইতিমধ্যে আলোচনা কৰা মতে, ১৯৯১ চনত ভাৰতীয় অৰ্থনীতিয়ে অৰ্থনৈতিক সংস্কাৰ গ্ৰহণ কৰিছিল। চিত্ৰ ৮.২ত, পৰিৱৰ্তিত পৰিস্থিতি যথেষ্ট দৃশ্যমান। জিডিপি গঠনৰ দিশত উদ্যোগ খম্চৰ অৱদান একেই আছে যদিও নিয়োগৰ ক্ষেত্ৰত ইয়াৰ অংশীদাৰিত্ব ১৫.৩ৰ পৰা ২৪.৭ শতাংশলৈ বৃদ্ধি পাইছে। বাকী দুটা খণ্ডৰ পৰিৱৰ্তনো আপুনি লক্ষ্য কৰিব পাৰে।

চিত্ৰ ৮.২: ভাৰতত নিয়োগ বনাম জিডিপিৰ অংশীদাৰিত্ব (১৯৯১ বনাম ২০১৮)



উৎসঃ Percentage Share of Employment vs GDP - 1991 - 2018 : r/IndiaSpeaks (reddit.com)

অনুশীলনী ৮.১

চিত্ৰ ৮.২ত উপস্থাপন কৰা তথ্যৰ ভিত্তিত ১৯৯১ চনৰ তুলনাত ২০১৮ চনত ভাৰতত নিয়োগ আৰু জিডিপি প্ৰদানৰ দিশত অর্থনীতিৰ তিনিটা খণ্ডই আগবঢ়োৱা অৱদানত আপুনি কি পৰিৱর্তন লক্ষ্য কৰিছে? ব্যাখ্যা কৰক।

.....

.....


.....

.....

- **ভাৰতৰ বাণিজ্য সেৱালৈ অৱদান ঃ** সেৱা খণ্ডই ভাৰতৰ ব্যৱসায়- বাণিজ্যৰ ক্ষেত্ৰখনতো এক গুৰুপূর্ণ ভূমিকা পালন কৰি আহিছে। বিশ্ব ৰপ্তানী সেৱালৈ ১৯৯০ চনত মাত্ৰ ০.৬% সেৱা আগবঢ়োৱা ভাৰতীয় ৰপ্তানী খণ্ডটোৱে সেৱাৰ মাত্ৰা ২০১১ চনত ৩.৩% লৈ বৃদ্ধি হৈছিল। অর্থাৎ, শেহতীয়া বর্ষবোৰত ভাৰতে সেৱা খণ্ডৰ দ্বাৰা সম্ভৱ হৈ পৰা ৰপ্তানী বৃদ্ধি প্ৰত্যক্ষ কৰিছে। ভাৰতৰ বেচা-কিনা আৰু ৰপ্তানী সেৱাৰ পৰিমাণ ২০০৪-০৫ বর্ষত ২২.২% আছিল যদিও ২০০৮-০৯ বর্ষত এই পৰিমাণ ২৫.৩% লৈ বৃদ্ধি পায়। ২০০৮-০৯ বর্ষৰ পৰা সেৱাৰ বিকাশ কিছু মন্থৰ হোৱাৰ কাৰণ আছিল বিশ্বজনীন বিত্তীয় সংকট। কিন্তু ২০১০-১১ বর্ষৰ পৰা এই বিকাশ পুনৰ দ্রুত হৈ পৰে। ভাৰতীয় ৰিজার্ভ বেংকে সদৰি কৰা তথ্য অনুসৰি, ২০০৪-০৫ বর্ষৰ পৰা ২০১০-১১ বর্ষলৈ ভাৰতৰ ৰপ্তানী সেৱাৰ 'বর্দ্ধনশীল বার্ষিক বৃদ্ধি হাৰ' (Cumulative Annual Growth Rate/ CAGR) আছিল ২০.৬% । এই হাৰত

উচ্চতৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল বিত্তীয় সেৱাসমূহে। শেহতীয়া পৰিসংখ্যা অনুসৰি, ভাৰতে বিশ্বৰ প্ৰধান সেৱা ৰপ্তানিকাৰক দেশসমূহৰ ভিতৰত সপ্তম স্থানত আছে, কেৱল আমেৰিকা, যুক্তৰাজ্য, জাৰ্মানী, চীন, আয়াৰলেণ্ড আৰু ফ্ৰান্সৰ পিছতে আছে (চিত্ৰ ৮.৩ চাওক)।

চিত্ৰ ৮.৩: ২০২০ চনত শীৰ্ষ ১০ খন দেশৰ সেৱা ৰপ্তানি (বিলিয়ন মাৰ্কিন ডলাৰত)



মন কৰিবলগীয়া যে, যদিও সপ্তম স্থানত আছে, ভাৰত ২০০৫ চনৰ পৰা ২০২০ চনৰ ভিতৰত গড় বাৰ্ষিক বৃদ্ধিৰ হাৰ (৮.৫%)ৰ ক্ষেত্ৰত শীৰ্ষ তিনিখন দেশৰ ভিতৰত আছে; মাত্ৰ ছিংগাপুৰ (৯.৭%) আৰু আয়াৰলেণ্ড (৯.৯%) ৰ তুলনাত পিছ পৰি আছে। ২০২০ চনত এছিয়াৰ সেৱা ৰপ্তানিৰ ১৬.৫% ভাৰতে লাভ কৰিছিল।

- **মানৱ উন্নয়নলৈ অৱদান ঃ** সেৱা খণ্ডই মানৱ উন্নয়ন সাধনৰ পৰ্যাপ্ত সুবিধা আগবঢ়াইছে। এই খণ্ডই শিক্ষা, স্বাস্থ্য সেৱা, তথ্য প্ৰযুক্তি আৰু তথ্য প্ৰযুক্তি সাধ্য সেৱা, পৰ্যটন, দক্ষতা বিকাশ আদিৰ দৰে ভালেমান গুৰুত্বপূৰ্ণ আৰু মূল্যৱান সেৱা আগবঢ়ায়। এই সেৱাবোৰে সবলীকৰণ, জীৱন যাপনৰ উচ্চ মান আৰু মানৱ মূলধন সৃষ্টি আদি প্ৰক্ৰিয়াৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন সাধন কৰে। এনেকৈয়ে, সেৱা খণ্ডই মানৱ উন্নয়নত সহায় কৰি আহিছে।
- **আন্তঃ গাঁথনিমূলক বিকাশ আৰু সংযোগ সেৱাত সেৱাখণ্ডৰ ভূমিকা ঃ** ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰ আন্তঃগাঁথনিৰ দিশেৰে সুদৃঢ় নহয়। এনে দেশৰ অৰ্থনীতিত আন্তঃগাঁথনিমূলক বিকাশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰিবহন আৰু সংযোগ ব্যৱস্থা হ'ল দুটা প্ৰধান আন্তঃগাঁথনিমূলক ব্যৱস্থা। ২০১১-১২ বৰ্ষত ভাৰতৰ GDP লৈ পৰিবহন, সামগ্ৰী ভাণ্ডাৰ আৰু সংযোগ সেৱাৰ অৱদান উৎপাদক ব্যয় (Factor Cost) হিচাপত ৭.১% আছিল। সেয়েহে কোৱা হয়, উন্নয়নশীল দেশেবোৰত সংযোগ আৰু পৰিবহন সেৱাৰ জৰিয়তে হোৱা আন্তঃগাঁথনিমূলক উন্নয়নত সেৱা খণ্ডৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ।
- **তথ্য প্ৰযুক্তি** (Information Techonology: IT) **আৰু তথ্য প্ৰযুক্তিসাধ্য সেৱা** (IT enabled

Services: ITeS) **ৰ বিকাশত সেৱা খণ্ডৰ ভূমিকা** ঃ পাৰ হৈ যোৱা যুগ দুটামানত ভাৰতত IT আৰু ITeS ৰ দ্রুত বিকাশ ঘটা দেখিবলৈ পোৱা গৈছে। এই দুয়োখন ক্ষেত্রই ভাৰতক বিশ্বৰ প্রেক্ষাপটত এক উত্থিত আৰু স্থিতিস্থাপক বৈশিষ্ট্য সমৃদ্ধ নৱশক্তিৰ ভাৱমূর্তি গঢ়াত সহায় কৰিছে। IT আৰু ITeS ৰ চাৰিটা প্রধান অংশ আছে— তথ্য প্রযুক্তি সেৱা, ব্যৱসায়িক প্রক্রিয়া বাহিৰা উৎসক ঠিকালৈ দিয়া (Business Process Outsourcing: BPO), অভিযান্ত্রিক সেৱা (engineering services) আৰু গৱেষণা তথা উন্নয়ন (Research & Development: R&D)। এই চাৰিটা অংশৰ ভিতৰত ভাৰতীয় ITeS আৰু BPO সেৱাই নিজৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰিছে, ব্যয় সুবিধা বহনক্ষম কৰি তুলিছে আৰু গোলকীয় বজাৰত দেশৰ মৌলিক ক্ষমতা বৃদ্ধি কৰিছে। ভাৰতত IT আৰু ITeS উদ্যোগক পূর্ণাংগ উদ্যোগৰ ৰূপ দিয়া হৈছে। NASSCOM ৰ তথ্য অনুসৰি, ২০১২-১৩ বর্ষত IT আৰু BPO খণ্ড(হার্ডৱেৰ'ৰ সেৱাক বাদ দি) ই ৯৫.২ শ কৌটি আমেৰিকান ডলাৰৰ ৰাজহ সংগ্রহ কৰিছে। এই খণ্ডবোৰত পোনপটীয় কর্মসংস্থাপনৰ সৃষ্টি হৈছে। ২০১২ বর্ষত এই খণ্ডবোৰত প্রায় ২৮০ কৌটি টকাৰ পৰোক্ষ কর্মসংস্থাপনৰ সৃষ্টি হোৱাৰ বিপৰীতে ২০১৩ বর্ষত প্রায় ৮৯০ কৌটি টকাৰ পৰোক্ষ কর্মসংস্থাপন লাভ কৰিছে।

- **সামাজিক সেৱাৰ উন্নয়নত সেৱা খণ্ডৰ ভূমিকা** ঃ সেৱা খণ্ডৰ বিকাশে ক্রীড়া, সাংস্কৃতিক সেৱা আদিৰ দৰে আন কিছুমান সামাজিক সেৱা সৃষ্টি, সম্প্রসাৰণ আৰু উন্নয়নতো সহায় কৰিছে। মানৰ মূলধন গঢ়ি তোলাত ক্রীড়াৰ ভূমিকা গুৰুত্বপূর্ণ। ই মানুহক শাৰীৰিকভাৱে সুস্থ-সবল কৰি ৰাখে, মানুহৰ জীৱনক এক অনন্য মাত্রা প্রদান কৰে আৰু বান্ধোন (সামূহিক তথা আন্তঃৰাষ্ট্রীয়)ৰ সৃষ্টি কৰে। বর্তমান ৰাষ্ট্রীয় পৰিচয় আৰু একতাৰ বাবে ক্রীড়াক এক গুৰুত্বপূর্ণ কাৰক বুলি মানি লোৱা হৈছে। সাংস্কৃতিক সেৱাই সামৰি লোৱা বিষয় কেইটামান হ'ল মনো�ৰঞ্জন, অৱসৰ বিনোদনমূলক কার্যকলাপ, ৰেডিঅ' আৰু টেলিভিছন সম্প্রচাৰ আৰু কলা আধ্যাত্মিক বিশ্বাস- পৰম্পৰা আদিৰ দৰে সাংস্কৃতিক দিশবোৰ। সকলো ধৰণৰ কলা-সংস্কৃতিৰ পৃষ্ঠপোষকতা তথা সংৰক্ষণৰ বাবে ভাৰত চৰকাৰে একাদশ পৰিকল্পনাকালত আবণ্টন কৰা ধনৰ পৰিমাণ আছিল মুঠ ৩,৫৫৫ কোটি টকা। সাংস্কৃতিক সেৱাৰ ক্ষেত্রখনে কেৱল বিকাশ আৰু নিয়োগৰ সুযোগেই কঢ়িয়াই অনা নাই, ই মানুহৰ সাংস্কৃতিক পৰিচয় গঢ়াৰ আধাৰ হিচাপেও কাম কৰিছে। ২০১০ বর্ষত ২৬ % CAGR হাৰত ভাৰতে ৪০০ কৌটি আমেৰিকান ডলাৰ মূল্যৰ সৃজনশীল সাংস্কৃতিক সেৱা ৰপ্তানী কৰিছে। সেৱা খণ্ডই সমাজত উপকাৰ সাধন কৰা আন কিছুমান সামাজিক সেৱাৰ পৃষ্ঠপোষকতা কৰাতো গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে।

অন্য খণ্ডলৈ সহায়-সমর্থন ঃ বিত্ত, পৰিবহন, চফ্‌টৱেৰ, সংযোগ, সঞ্চয় ভাণ্ডাৰ আৰু বিতৰণ ব্যৱস্থা আদিৰ দৰে বিভিন্ন সেৱাৰ জৰিয়তে সেৱা খণ্ডই কৃষি আৰু উদ্যোগ ক্ষেত্রক সহায়-সমর্থন আগবঢ়াই আহিছে। বিভিন্ন খণ্ডৰ মাজত আন্তঃসংযোগ, সহযোগিতা আৰু সহায়-সমর্থন অবিহনে কোনো অর্থনীতিৰে বিকাশ নঘটে।



অগ্ৰগতি নিৰীক্ষণ

নিওটা খণ্ডৰ মাজত কোনটোৰ খণ্ডৰ অৱদান সৰ্বাধিক?

.....

ঃ ১৯৫১ বৰ্ষৰ তুলনাত ২০১৪-১৫ বৰ্ষত ভাৰতৰ GDP লৈ সেৱা খণ্ডই আগবঢ়োৱা অৱদানৰ মাজত কি প্ৰভেদ আছে?

.....

৮.৫ তথ্য-প্ৰযুক্তি আৰু অন্য সেৱা খণ্ডবোৰৰ শেহতীয়া বিকাশ

- **হোটেল আৰু ৰেস্তোৰাঁকে ধৰি পৰ্যটন উদ্যোগঃ** ভাৰতীয় পৰ্যটনে এছিয়া-প্ৰশান্ত মহাসাগৰ অঞ্চলত একাদশ আৰু সমগ্ৰ বিশ্বতে ৬২ সংখ্যক স্থান দখল কৰি আছে। World Economic Forum-এ ২০০৯ চনত প্ৰকাশ কৰা ভ্ৰমণ আৰু পৰ্যটন প্ৰতিযোগিতামূলকতা প্ৰতিবেদন অনুসৰি, ভাৰতে সৰ্বশ্ৰেষ্ঠ পৰ্যটন গন্তব্যস্থান আৰু প্ৰাকৃতিক সম্পদ শিতানত চৰ্তুদশ স্থান তথা সাংস্কৃতিক সম্পদ শিতানত চৰ্তুবিংশতিতম স্থান লাভ কৰিছে। পৰ্যটন হ'ল ভাৰতবৰ্ষৰ সৰ্ববৃহৎ উদ্যোগ। ই দেশৰ GDP লৈ ৬.২৩ % অৰিহণা আগবঢ়ায়। হোটেল, পৰ্যটকক অনা-নিয়া কৰা বাহন, আতিথ্য সেৱা আদিৰ দৰে সেৱাসমূহত কৰ্মসংস্থাপন লাভৰ সুযোগ দি পৰ্যটন উদ্যোগে নিজকে এটা নিয়োগৰ সুবিধা সৃষ্টিকাৰী খণ্ডত পৰিণত কৰিছে। ই ভাৰতৰ মুঠ নিয়োজন সুবিধাৰ প্ৰায় ৮.৭৮ % সৃষ্টি কৰে। ২০০৮ চনত ভাৰতে পৰ্যটনৰ জৰিয়তে প্ৰায় ২৭৫.৫ শ কৌটি আমেৰিকান ডলাৰ ৰাজহ সংগ্ৰহ কৰিছিল। পৰ্যটন খণ্ডৰ প্ৰকৃতি হ'ল বিশাল আৰু জীৱন্ত। ই বৰ্তমান ভাৰতৰ এটা সৰ্বাধিক লাভজনক ব্যৱসায়। পৰ্যটন উদ্যোগক ভাৰতৰ বিকাশ আৰু ৰপ্তানী বৃদ্ধিকাৰী আহিলা বুলি গণ্য কৰা হয়। পাৰ হৈ যোৱা কিছু বছৰত এই খণ্ডটোৱে তাৎপৰ্যপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। ২০০৬ চনত বিদেশী পৰ্যটকৰ আগমন (Foreign Tourist Arrival: FTA)ৰ CAGR আছিল ৭.২ % । একেটা বছৰতে বিদেশী মুদ্ৰা বিনিময় উপাৰ্জন (Foreign Exchange Earning: FEE)ৰ CAGR আছিল ১৪.১। আকৌ, ২০০৯ আৰু ২০১৯ চনত FTA আছিল ক্ৰমে ৫.১৭ নিযুত আৰু ৫.৭৮ নিযুত। ২০১০ বৰ্ষত FTA ১১.৮ % লৈ বৃদ্ধি পাইছিল। ৬.৫ % হাৰত হোৱা বিশ্বজনীন বৃদ্ধিতকৈ এই বৃদ্ধি তুলনামূলকভাৱে যথেষ্ট অধিক। ২০০৯ আৰু ২০১০ চনত ভাৰতীয় পৰ্যটনৰ (FEE) আছিল টকাৰ হিচাপত ক্ৰমে ৬৪,৮৮৯ কোটি আৰু ৫৪,৯৬০ কোটি।

ভাৰতত পৰ্যটন উদ্যোগৰ আন এটা গুৰুত্বপূৰ্ণ উপ-শাখা হ'ল স্বাস্থ্য পৰ্যটন। আসন্ন বছৰবোৰত এই সেৱাক এক নতুন মাত্ৰা দিব পৰাকৈ ভাৰতৰ হাতত যথেষ্ট সুযোগ আছে। ব্যয়সাধ্য স্বাস্থ্য যত্ন সেৱাৰ বাবে ভাৰত এক উন্নততৰ স্বাস্থ্য পৰ্যটনস্থলত পৰিণত হৈছে। তদুপৰি, দেশৰ দক্ষ তথা অভিজ্ঞ স্বাস্থ্য যত্ন বিশেষজ্ঞ তথা বৃত্তিজীৱী, অৰ্ধ চিকিৎসা বিভাগৰ কৰ্মচাৰীসকলে আগবঢ়োৱা উন্নততৰ শুশ্ৰূষা, সবল তথ্য প্ৰযুক্তি খণ্ড আদিয়েও সুখ্যাতি অৰ্জন কৰিছে। বৰ্তমান আয়ুৰ্বেদ, যোগ, সিদ্ধ, নেচাৰোপেথি আৰু আধ্যাত্মিক অনুশীলনৰ

দৰে পৰম্পৰাগত ভাৰতীয় স্বাস্থ্য যত্ন প্ৰণালীবোৰেও বিদেশী নাগৰিকৰ প্ৰশংসা লাভ কৰিছে আৰু বহুতো বিদেশী লোকে এই প্ৰণালীবোৰ ব্যৱহাৰ কৰিবলৈ লৈছে।

ভাৰতীয় পৰ্যটনে যদিও এক দ্ৰুত বিকশিত সেৱা খণ্ডৰ ৰূপ ধাৰণ কৰিছে, তথাপিও দেশৰ অৰ্থনীতিৰ মন্থৰ অৱস্থাই খণ্ডটোত বিৰূপ প্ৰভাৱ পেলাইছে। ২০১৯ কেলেণ্ডাৰ বৰ্ষৰ প্ৰথমাৰ্দ্ধত ভাৰতৰ FTA মাত্ৰ ২.১২ % বাঢ়িছে। এই হাৰ বিগত চাৰি বছৰৰ তুলনাত সৰ্ব নিম্ন। ২০১৯ বৰ্ষৰ জানুৱাৰীৰ পৰা জুলাই মাহলৈ ভাৰতৰ FTA আছিল ৬.০৮ নিযুত। ২০১৮ বৰ্ষৰ জানুৱাৰীৰ পৰা জুলাই মাহলৈ নথিৱদ্ধ ৫.৯৬ নিযুত FTA তকৈ এই হাৰ সামান্য অধিক। একেদৰে, ২০১৮ বৰ্ষৰ জানুৱাৰীৰ পৰা জুলাই মাহত ভাৰতৰ FEE ভাৰতীয় টকাৰ হিচাবত ১,১২,৪৮১ কৌটি হোৱাৰ বিপৰীতে ২০১৯ বৰ্ষৰ জানুৱাৰীৰ পৰা জুলাই মাহলৈকে এই পৰিমাণ সামান্য বাঢ়ি ১,১৬,৮৭২ কৌটি টকা হৈছেগৈ। আমেৰিকান ডলাৰৰ হিচাবত এই প্ৰান্তীয় বৃদ্ধিক ১৬.৭৫ শ কৌটি আমেৰিকান ডলাৰৰ সমপৰ্যায়ত ২% ঋণাত্মক বিকাশ বুলি ধৰা হৈছে।

- **পৰিবহন আৰু সংযোগৰ সৈতে জড়িত সেৱাঃ** ভাৰতৰ এটা প্ৰধান সেৱা হ'ল পৰিবহন। ২০০৬-০৭ বৰ্ষত পৰিবহনে GDP লৈ উৎপাদক ব্যয়ৰ হিচাপত ৬.৬% অৰিহণা আগবঢ়াইছিল (ৰে'ল সেৱাক সামৰি)। কিন্তু ২০১১-১২ বৰ্ষত এই অৰিহণা কিছু কমি ৬.২% হৈছিল। অৰ্থনৈতিক জৰীপ, ২০২১ অনুসৰি, দেশৰ জিডিপিৰ ১৩-১৪% লজিষ্টিক উদ্যোগৰ পৰা আহিছে। অৰ্থনীতিলৈ উদ্যোগটোৰ অৱদানৰ মূল কাৰণ হৈছে সামগ্ৰীৰ কাৰ্যক্ষম গতি, যিয়ে খৰচ হ্ৰাস কৰাত আৰু উৎপাদনশীলতা বৃদ্ধি কৰাত সহয় কৰে।

  আকৌ ২০২৩ চনৰ ছেপ্টেম্বৰৰ হিচাপত ১.১৮১ বিলিয়ন চেলুলাৰ আৰু ৰায়াৰলাইন গ্ৰাহকৰ সৈতে ভাৰতৰ টেলিকম খণ্ড বিশ্বৰ ভিতৰতে দ্বিতীয় বৃহত্তম। ভাৰতৰ সামগ্ৰিক টেলি-ঘনত্ব ৮৪.৭৬%; ইয়াৰে ৫৮.০৫% মূলতঃ অন্বেষিচ গ্ৰাম্য বজাৰৰ টেলি-ঘনত্ব আৰু ১৩৩.৫৪% নগৰীয়া বজাৰৰ টেলি-ঘনত্ব। গ্ৰাম্য অঞ্চলত বাস কৰা ৪০.৪২% ইণ্টাৰনেট ব্যৱহাৰকাৰী সাঙুৰি ২০২৩ চনৰ মাৰ্চ মাহৰ শেষলৈকে সামগ্ৰিকভাৱে ইণ্টাৰনেট গ্ৰাহকৰ সংখ্যা আছিল ৮৮১.২৫ মিলিয়ন (নেৰ'বেণ্ড+ব্ৰডবেণ্ড সাঙুৰি)। (উৎস: https://www.investindia.gov.in/sector/telecom)
- **স্থাৱৰ সম্পত্তি আৰু বাসগৃহ সেৱাঃ** স্থাৱৰ সম্পত্তি (Real Estate) সেৱা হ'ল ভাৰতৰ সেৱা খণ্ডৰ এটা প্ৰধান অংশ। স্থাৱৰ সম্পত্তি ক্ষেত্ৰখনে আৱাস সেৱা আগবঢ়ায়। এই খণ্ডটোৱে বহুতো কৰ্মসংস্থাপনৰ সৃষ্টি কৰি আহিছে। দেশৰ নিবনুৱা সমস্যাটো কিছু পৰিমাণে কম কৰাত এই খণ্ডটোৱে অৱদান আগবঢ়াইছে। এই খণ্ডটোৱে সৃষ্টি কৰা কামৰ সুবিধা কেইটামান হ'ল—নিৰ্মাণ কাৰ্যৰ শ্ৰমিক, নিৰ্মাণকৰ্তা, স্থপতিবিদ, অভিযন্তা, আন্তঃগৃহসজ্জাকাৰী, পানীৰ নল ঠিক কৰোঁতা, ঘৰত ৰং দিওতা, কাঠমিস্ত্ৰী, সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ পৰামৰ্শদাতা ইত্যাদি। সেয়েহে, এই খণ্ডটোক ভাৰতত কৰ্মসংস্থাপনপূৰ্ণ খণ্ড বুলি ধৰা হয়। তদুপৰি, এই খণ্ডটোৱে নিজকে আয় সৃষ্টিকাৰী খণ্ড এটালৈকো সলনি কৰিছে। কাৰণ, আৱাস গৃহক

সম্পত্তি বুলি ধৰা হয়। আয় সৃষ্টিৰ অন্য উপায়বোৰক সহায় কৰিবলৈ আৰু এনে উপায়বোৰৰ পৰিপূৰক হিচাপে গৃহই এক তাৎপৰ্যপূৰ্ণ উত্তোলন প্ৰভাৱৰ কাম কৰে।

২০১৫-১৬ বৰ্ষত ভাৰতৰ সামগ্ৰিক সৰ্বমুঠ মূল্য আৰোপিত (Gross Value Added: GVA) আয়লৈ মালিকীস্বত্ব তথা বসবাস শিতানকে ধৰি স্থাৱৰ সম্পত্তি খণ্ডই ৭.৬% অৱদান আগবঢ়াইছে। ২০১৩-১৪ বৰ্ষত এই খণ্ডটোৰ বিকাশৰ হাৰ ৭.৫% থকাৰ বিপৰীতে ২০১৫-১৬ বৰ্ষত কিছু নিম্নগামী হৈ এই হাৰ ৪.৫% হৈছেগৈ। এই কাৰণতেই মালিকীস্বত্ব আৰু বসবাস শিতানে ২০১৩-১৪ বৰ্ষত সামগ্ৰিক GVA লৈ ৭.১% অৱদান আগবঢ়োৱাৰ বিপৰীতে ২০১৫-১৬ বৰ্ষত মাত্ৰ ৩.২% অৱদানহে আগবঢ়াইছে। ২০১৬ বৰ্ষত সমগ্ৰ ভাৰতৰ মুঠ আঠখন প্ৰধান নগৰত আৱাসিক গৃহ বিক্ৰীৰ সংখ্যা পূৰ্বৰ পাঁচ বছৰৰ তুলনাত সৰ্বনিম্ন হৈ প্ৰায় ২,৪৫০০০ টা মাত্ৰ হৈছে।

শেহতীয়াকৈ প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি (দ্য ইকনমিক টাইমছ, ২৮ ডিচেম্বৰ, ২০২৩) ভাৰতৰ শীৰ্ষ ৭ খন চহৰত (নতুন দিল্লী, মুম্বাই, বেংগালুৰু, পুনে, হায়দৰাবাদ, চেন্নাই, কলকাতাকে ধৰি) গৃহ বিক্ৰীয়ে ২০২৩ চনত এক নতুন শিখৰ সৃষ্টি কৰিছে। ২০২৩ চনত মুঠ বিক্ৰী হোৱা ইউনিট আছিল ৪৭৬৫৩০, যিটো ২০২২ চনত বিক্ৰী হোৱা ৩,৬৪,৮৭০ ইউনিটৰ বিপৰীতে ৩১ শতাংশ বেছি।

- **তথ্য প্ৰযুক্তি— ব্যৱসায়িক ব্যৱস্থাপনা সেৱাঃ** ভাৰতৰ এটা গুৰুত্বপূৰ্ণ ক্ৰমবৰ্দ্ধনশীল খণ্ড হ'ল তথ্য প্ৰযুক্তি (Inforfamation Technology) আৰু ব্যৱসায়িক প্ৰক্ৰিয়া ব্যৱস্থাপনা (Business Process Management: BPM) সেৱা খণ্ড। ২০১৬ বৰ্ষত সমগ্ৰ বিশ্বতে হাৰ্ডৱেৰ'ৰ সেৱা সামৰি IT-BPM খণ্ডটোৰ বজাৰখনৰ মূল্য আছিল ২.২ ***ট্ৰিলিয়ন*** আমেৰিকান ডলাৰ আৰু হাৰ্ডৱেৰ'ৰ সেৱা বাদ দি বজাৰখনৰ মূল্য আছিল ১.২ ট্ৰিলিয়ন আমেৰিকান ডলাৰ। ভাৰতীয় IT-BPM উদ্যোগটোক এটা গোলকীয় শক্তিভাণ্ডাৰ বুলি গণ্য কৰা হয়। ভাৰত আৰু সমগ্ৰ বিশ্বতে ই অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ভাৰতেই ব্যৱসায়িক প্ৰক্ৰিয়াবোৰ বহিঃদেশলৈ ঠিকাত দিয়াৰ আৰ্হিটো (Offshoring model) জনপ্ৰিয় কৰি তোলাত আগভাগ লৈছে। আজি বিশ্বৰ বহুতো দেশে ভাৰতক প্ৰযুক্তি আৰু ব্যৱসায়িক সমাধানৰ প্ৰথম পছন্দৰ অংশীদাৰ হিচাপে গণ্য কৰে। পাৰ হৈ যোৱা দশকটোত এই খণ্ডটোৱে ৰাজহৰ ক্ষেত্ৰত ছগুণ বিকাশ খতিয়ানভুক্ত কৰিছে। ই এটা কৰ্মসংস্থাপন পূৰ্ণ খণ্ড। ই বৰ্তমান ৩.৯ নিযুততকৈ অধিক লোকক কৰ্মসংস্থাপনৰ যোগান ধৰে। ই এটা কৰ্মসংস্থাপনত সহায়ক খণ্ড। কাৰণ, ই পৰিবহন, হোটেল, বেস্তোৰাঁ, আন্তঃগাঁথনি, সুৰক্ষা আদি খণ্ডত কৰ্মসংস্থাপন লাভৰ সুবিধা সৃষ্টি কৰে।

ভাৰতীয় (IT-BPM) উদ্যোগত ১৬,০০০ তকৈও অধিক ব্যৱসায়িক অনুষ্ঠান প্ৰতিষ্ঠান আছে। ইয়াৰে কিছুমান বহু ***বিলিয়ন*** ডলাৰ মূল্যৰ প্ৰতিষ্ঠিত প্ৰতিষ্ঠান আৰু আন কিছুমান নৱ-উদ্যম (Start -up) প্ৰতিষ্ঠান। অসংখ্য বহুজাতিক কোম্পানী MNCs আৰু ৪,৭৫০ টাতকৈও অধিক নৱ-উদ্যাম প্ৰতিষ্ঠানে মিলি ভাৰতক পৃথিৱীৰ তৃতীয়টো সৰ্ববৃহৎ নৱ-উদ্যম

পাৰিপাৰ্শ্ব প্ৰণালীত পৰিণত কৰিছে। এই নৱ-উদ্যম পাৰিপাৰ্শ্ব প্ৰণালী (start-up ecosystem) টোত প্ৰতিষ্ঠিত ক্ষেত্ৰত কাম কৰা (যেনে- ই কৰ্মাচ, এগ্ৰেগেট'ৰ) প্ৰতিষ্ঠানৰ লগতে উত্থান ঘটা ক্ষেত্ৰ (যেনে- ফাইনটেক্, এডুটেক, হেল্থ্টেক আদি)ত কাম কৰা প্ৰতিষ্ঠানেৰে ভৰা। প্ৰযুক্তি বিশেষজ্ঞ প্ৰতিষ্ঠানবোৰৰ উত্থান পৰিলক্ষিত হোৱা আন দুখনমান ক্ষেত্ৰ হ'ল— ক্লাউড, ইণ্টাৰনেট অৱ থিংচ্ (IoT), যন্ত্ৰৰ দ্বাৰা শিকন (Machine learning), কৃত্ৰিম বুদ্ধিমত্তা (artificial intelligence), ৰ'ব'টিক্স, থ্ৰীডি প্ৰিণ্টিং ইত্যাদি। ভাৰতীয় IT-BPM সেৱাবোৰৰ সৰ্ববৃহৎ বজাৰ হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ। ইয়াৰ পিছতেই অছে য়ুনাইটেড কিংড'ম, সমগ্ৰ ইউৰোপ মহাদেশ (য়ুনাইটেড কিংড'মক বাদ দি) আৰু এচিয়া। (NASSCOM ৰ প্ৰাক্কলন অনুসৰি, ২০১৬-১৭ বৰ্ষত ভাৰতে হাৰ্ডৱেৰ সেৱা সামৰি আৰু বাদ দি IT-BPM খণ্ডত উপাৰ্জন কৰিবলগীয়া প্ৰত্যাশিত মুঠ ৰাজহ (ৰপ্তানী তথা ঘৰুৱা)ৰ পৰিমাণ হ'ল ক্ৰমে ৭.৮% আৰু ৮.১% বিকাশ হাৰত ১৫৪ বিলিয়ন আমেৰিকান ডলাৰ আৰু ১৪০ বিলিয়ন আমেৰিকান ডলাৰ। হাৰ্ডৱেৰ সেৱা অন্তৰ্ভুক্ত ঘৰুৱা বজাৰখনে ৩৮ বিলিয়ন আমেৰিকান ডলাৰ ৰাজহ সংগ্ৰহৰ লক্ষ্যত উপনীত হ'বলৈ ৮.৫% হাৰত বৃদ্ধি হৈ গৈ আছে। আনহাতে, ই কৰ্মাচ ক্ষেত্ৰখনে ২৪ বিলিয়ন আমেৰিকান ডলাৰৰ লক্ষ্য স্পৰ্শ কৰিবলৈ ১০.৪% হাৰত বৃদ্ধি হৈ গৈ আছে।

ভাৰতৰ চফ্টৱেৰ ৰপ্তানীৰ পৰিমাণ ২০০২-০৩ বৰ্ষত ২৭% হোৱাৰ বিপৰীতে ২০০৭-০৮ বৰ্ষত ৩৮% হৈছেগৈ। অৱশ্যে, বিগত বছৰ কেইটামানত এই বিকাশৰ গতি কিছু মন্থৰ হৈ পৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি, ২০১৫-১৬ বৰ্ষত চফ্টৱেৰ ৰপ্তানীৰ পৰিমাণ ৭৪.২ বিলিয়ন আমেৰিকান ডলাৰ আছিল যদিও ইয়াৰ তুলনাত এই পৰিমাণৰ ০.৭% অৱনতি ঘটি ৭৩.৭ বিলিয়ন আমেৰিকান ডলাৰ হৈছে।

- **নিৰ্মাণ সেৱাঃ** ভাৰতৰ এটা অত্যন্ত গুৰুত্বপূৰ্ণ আৰু ক্ৰমাৎ উত্থিত খণ্ড হ'ল নিৰ্মাণ সেৱা। বিকাশ আৰু উন্নয়নৰ এক গুৰুত্বপূৰ্ণ সূচকত পৰিণত হোৱা এই খণ্ডটোৱে পাৰ হৈ যোৱা বছৰবোৰত নিজ গুৰুত্ব ক্ৰমে বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। খণ্ডটোৱে যথেষ্ট পৰিমাণে বিনিয়োগ সুবিধাৰ সৃষ্টি কৰাৰ উপৰি কোনো এক অৰ্থনীতিৰ উৎপাদন ক্ষমতা ত্বৰান্বিত কৰে। ২০০০-০১ বৰ্ষত এই খণ্ডটোৱে ভাৰতৰ GDP লৈ উৎপাদন ব্যয় হিচাপত ৬ % অৱদান আগবঢ়াইছে। ২০০৮-০৯ বৰ্ষত এই পৰিমাণ ৮.২ % আৰু ২০১১-১২ বৰ্ষত ৮.২ % আছিল। নিৰ্মাণ সেৱাই সামৰি লোৱা কাৰ্য কেইটামান হ'ল— দলং নিৰ্মাণ, পথ নিৰ্মাণ, ভৱন নিৰ্মাণ, নদীবান্ধ নিৰ্মাণ আদি। ২০১৫-১৬ বৰ্ষতএই খণ্ডটোৰ বিকাশৰ হাৰ আছিল ৫ %। কিন্তু ২০১৬-১৭ বৰ্ষত এই হাৰ নিম্নগামী হৈ ১.৭ % হৈছেগৈ। ২০০০ চনত এই খণ্ডটোক উদ্যোগ ৰূপে স্বীকৃতি দিয়া হৈছিল। চৰকাৰেও উদ্যোগটোৰ পৃষ্ঠপোষকতাৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ফলস্বৰূপে খণ্ডটোত নিৰ্মাণকাৰী-কাৰ্যসম্পাদনকাৰী- হস্তান্তৰকাৰী (Build Operate Transfer: BOT), নিৰ্মাণকাৰী-কাৰ্যসম্পাদনকাৰী- মালিকীস্বত্বৰ গৰাকী-

হস্তান্তৰকাৰী (Build Operate Own Transfer: BOOT) আৰু নিৰ্মাণকাৰী-কার্যসম্পাদনকাৰী- অধিগ্রহণকাৰী- হস্তান্তৰকাৰী (Build Operate Lease Transfer: BOLT) শিতানত বহুতো ব্যক্তিগত মালিকানাধীন প্রকল্পৰ কাম আৰম্ভ হৈছে।

- **বেংক সেৱাঃ** পাৰ হৈ যোৱা বছৰবোৰত সেৱা খণ্ডৰ অন্তর্গত বিত্ত, বীমা, স্থাৱৰ সম্পত্তি আৰু ব্যৱসায় খণ্ডকেইটাই অর্থনীতিৰ সবাতোকৈ গতিশীল খণ্ডৰূপে প্রতিষ্ঠা লাভ কৰিছে। উন্নয়নশীল দেশবোৰত বেংকে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এনেবোৰ দেশৰ সামগ্রিক উন্নয়নত বেংকৰ ভূমিকা অতি তাৎপর্যপূর্ণ। ভাৰতীয় বেংক প্রণালীটো অত্যন্ত প্রাণৱন্ত। ই এক বিস্তৃত পৰিসৰত কার্য সম্পাদন কৰে। ভাৰতীয় প্রণালীটোত এই মূহুর্তত ২৭ টা ৰাজহুৱা খণ্ডৰ বেংক, ২১ টা ব্যক্তিগতখণ্ডৰ বেংক, ৪৯ টা বিদেশী বেংক, ৫৬ টা আঞ্চলিক গাঁৱলীয়া বেংক, ১৫৬২ টা নগৰীয়া সমবায় বেংক আৰু ৯৪৩৮৪ টা গাওঁলীয়া সমবায় বেংক আছে। বেংক খণ্ডটো হ'ল দেশৰ এটা অতি দ্রুত গতিত বর্দ্ধিত খণ্ড। ভাৰতৰ ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডৰ বেংককে সামৰি বেংক খণ্ডটোৰ সর্বমুঠ সম্পত্তিৰ সংযুক্ত বার্ষিক বিকাশ হাৰ (CAGR) ২০১৩-১৪ বর্ষত ৬% বৃদ্ধিৰে ২.৩ ট্রিলিয়ন আমেৰিকান ডলাৰ হৈছিলগৈ। বেংক খণ্ডই সামগ্রিকভাৱে আগবঢ়োৱা ঋণৰ উত্থান-পতন ব্যৱস্থাই ২০০৩-২০০৮ বর্ষৰ কালছোৱাত ভাৰতীয় অর্থনীতিৰ পাৰদর্শিতাত এক উচ্চ বৃদ্ধি সম্ভৱ কৰি তুলিছিল। এই সময়ছোৱাত ইটো বছৰৰ পৰা সিটো বছৰৰ ভিত্তিত সর্বমুঠ ঋণৰ পৰিমাণ প্রতিবছৰে প্রায় ২০ শতাংশকৈ বাঢ়িছিল। কিন্তু ২০০৮ -১৪ বর্ষৰ বিত্তীয় সংকটৰ কালছোৱাত এই হাৰ ১৫ শতাংশলৈ কমিছিল আৰু ২০১৪ চনৰ পৰা ঋণ বৃদ্ধিৰ পৰিমাণ মন্থৰ হৈ পৰিছিল। ২০১৬-১৭ বর্ষত এই মাত্রা আৰু অধিক নিম্নগামী হৈ গড়ে প্রায় ৭% হৈছিলগৈ।

  বেংক খণ্ডৰ বিষয়ে আলোচনা কৰাৰ সময়ত ভাৰতীয় ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ বিশেষ উল্লেখ কৰা আৱশ্যেক। ১৯৫৫ চনত ভাৰতীয় ষ্টেট বেংকে ইয়াৰ কাম-কাজ আৰম্ভ কৰাৰ লগে লগে দেশত ৰাজহুৱা খণ্ডৰ বেংক (Public Sector Bank: PSB) ব্যৱস্থাটোৰ প্রচলন ঘটিল। ১৯৬৯ চনত দেশত ১৪ টা প্রধান ব্যক্তিগত বেংকক ৰাষ্ট্রীয়কৃত কৰা হ'ল। ১৯৮০ চনত আন ৬টা ব্যক্তিগত বেংকক ৰাষ্ট্রীয়কৃত কৰা হৈছিল। আৰম্ভণিতে মুঠ ৫০০০ কোটি টকাৰ জমা সহ ৮০০০টা বেংক শাখাই সমগ্র ভাৰততে কাম কৰি আছিল। বর্তমান দেশত বেংক শাখাৰ সংখ্যা হ'ল ৯০,০০০ টা। আটাইবোৰ শাখাতে জমা থকা মুঠ ধনৰ পৰিমাণ হ'ল ৮৫,০০,০০০ কোটি টকা। ৰাজহুৱা খণ্ডৰ বেংকবোৰে আগবঢ়োৱা মুঠ ঋণৰ পৰিমাণ হ'ল ৬০,০০,০০০ কোটি টকা।

৮.৬ সেৱা খণ্ডৰ প্রধান সমস্যাবোৰ

- সেৱা খণ্ডৰ এটা প্রধান প্রত্যাহ্বান হ'ল মজুৰি প্রদানত থকা অসমতা। সেৱা খণ্ডৰ দক্ষ আৰু পাৰদর্শী কর্মীয়ে অর্থনীতিৰ অন্য খণ্ডবোৰৰ কর্মীৰ তুলনাত অধিক মজুৰি লাভ কৰে। কিন্তু কম দক্ষ কর্মীসকলে নিম্ন উপার্জনৰ দ্বাৰা সৃষ্ট বিভিন্ন অসুবিধাৰ সন্মুখীন হয়।

- বিমুদ্রাকৰণ প্রক্রিয়াৰ দ্বাৰা সেৱা খণ্ডৰ বিভিন্ন উপ-খণ্ড বিভিন্ন ধৰণে প্রভাৱিত হৈছে। এই প্রক্রিয়াটোৰ দ্বাৰা সিমান প্রভাৱিত নোহোৱা খণ্ডটো হ'ল পর্যটন। বাণিজ্যিক বেংকবোৰে প্রদান কৰা বাণিজ্যিক ঋণৰ পৰিমাণো বিমুদ্রাকৰণৰ পাছত বৃদ্ধি পাইছে। এই প্রক্রিয়াটোৰ পাছত অৱশ্যে সম্পত্তি পঞ্জীয়নৰ সংখ্যা হ্রাস পাইছে। কিন্তু তাৰ বাবে সম্পত্তি মূল্যৰ বৰ বিশেষ পৰিৱর্তন হোৱা নাই। বিমুদ্রাকৰণে তথ্যপ্রযুক্তি উদ্যোগ, বীমা খণ্ড আদিৰ দৰে উপ-খণ্ডবোৰত ইতিবাচক প্রভাৱ পেলাইছে। অর্থাৎ, সেৱা খণ্ডত বিমুদ্রাকৰণৰ প্রভাৱ মিশ্রিত আৰু অস্থায়ী প্রকৃতিৰ বুলি ক'ব পাৰিব।
- ভাৰতত ২০১৭ চনৰ ১ জুলাইৰ পৰা সামগ্রী আৰু সেৱা শুল্ক (Goods and Service Tax: GST) প্রৱর্তন কৰা হৈছে। ভৰতীয় সেৱা খণ্ডৰ বিকাশত ই তাৎপর্যপূর্ণ প্রভাৱ পেলাইছে। ইয়াৰ কাৰণ হ'ল এই শুল্কই সেৱা শিতানবোৰৰ মূল্য নির্ধাৰণক প্রভাৱিত কৰিছে। এই পদ্ধতিৰ জৰিয়তে একাধিক প্রত্যপর্ণ নথি আৰু কটকটীয়া শুল্ক আদায় ব্যৱস্থাৰে দেশৰ প্রতিখন ৰাজ্যতে সুকীয়া সুকীয়া ধৰণে কার্যসম্পাদন কৰি অহা হৈছে। GST ৰ প্রচলন আৰম্ভ হোৱাৰ লগে লগে সেৱা খণ্ডই কিছুমান প্রধান প্রত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। যেনে— একাধিক শুল্ক স্তৰ (৫%, ১২%, ১৮% আৰু ২৮%), ব্যৱসায়ৰ স্থান অনুসৰি একাধিক পঞ্জীয়ন ব্যৱস্থা, একাধিক প্রত্যর্পণ নথি দাখিল (এমাহত তিনিবাৰ প্রত্যর্পন নথি দাখিলৰ ব্যৱস্থা) ইত্যাদি। GST এ সেৱা খণ্ডক বিভিন্ন ধৰণে সহায়ো কৰিছে। GST প্রচলনৰ পূর্বে থকা বহুতো দোমোজা এতিয়া আঁতৰিছে। কেন্দ্রীয় আৰু ৰাজ্য উভয় চৰকাৰৰে এই শুল্ক সংগ্রহ কৰাৰ অধিকাৰ আছে। আগতে চফ্‌টৰে'ৰ, কর্মচুক্তি আদিৰ ক্ষেত্রত কাক শুল্ক আদায় দিব লাগিব, সেই বিষয়ত থকা দোমোজাৰ বাবে কেন্দ্র আৰু ৰাজ্য চৰকাৰবোৰৰ মাজত বিবাদৰ সূত্রপাত হৈছিল। অৱশ্যে এই ক্ষেত্রত দেখা দিয়া প্রধান অসুবিধাটো হ'ল ব্যৱসায়ৰ স্থান পঞ্জীয়ন। কাৰণ, ব্যৱসায়িক প্রতিষ্ঠান এটাৰ প্রতিনিধিয়ে এতিয়া GST আইন অনুসৰি ব্যৱসায় আৰম্ভ কৰিব খোজা প্রতিখন ৰাজ্যতে সুকীয়া সুকীয়াকৈ পঞ্জীয়ন কৰিব আৰু প্রত্যপর্ণ নথি দাখিল কৰিব লাগে। GST নেটৰ'র্কক লৈয়ো আন কিছুমান সমস্যাৰ সৃষ্টি হৈছে। এই নেটৰ'র্কত বেংকবোৰে ১০০ টাতকৈ অধিক শাখা পঞ্জীয়ন কৰিব নোৱাৰে। স্বাস্থ্য যত্ন সেৱাৰ ক্ষেত্রত কোনো GST শুল্ক নথকা বাবে ইনপুট টেক্স ক্রেডিটৰ তথ্য পোৱা নাযায়।
- GST এ প্রভাৱিত কৰা সেৱাবোৰৰ পৰা পোৱা কিছুমান প্রাথমিক ফলাফল হ'ল— ২৪ খন ৰাজ্যই পৰীক্ষণ চকীবোৰ নাইকিয়া কৰিছে আনকেইখন ৰাজ্যত এই প্রক্রিয়াটো চলি আছে। ইয়াৰ ফলত পৰিবহন ব্যয়, ইন্ধনৰ ব্যৱহাৰ, যানজঁট সমস্যা কমি গৈছে। শুল্ক আদায় দিয়াৰ অভ্যাস উন্নত হৈছে। ৭১ লাখ কেন্দ্রীয় তথা ৰাজ্যিক পর্যায়ৰ কৰদাতাক সামগ্রী আৰু সেৱা শুল্ক (GST) পদ্ধতিৰ আওতালৈ অনা হৈছে আৰু ১৫ লাখ নতুন কৰদাতাৰ নাম পঞ্জীয়ন কৰা হৈছে।
- সেউজক্ষেত্র বিমানবন্দৰ (Greenfield Airport) নির্মাণক প্রভাৱিত কৰা কাৰকসমূহৰ ভিতৰত

আছে ভূমি অধিগ্ৰহণৰ সমস্যা, বাধ্যতামূলক অনুমতি আদায়ৰ ক্ষেত্ৰত থকা সহজলভ্যতা, ব্যক্তিগত কাৰ্যসম্পাদনকাৰীসকলৰ দ্বাৰা কৰা বিত্তীয় কাৰ্যবিৰতি (Financial Clousure) ইত্যাদি।

- ভাৰতৰ পৰ্যটন খণ্ডটোৱেও বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। ২০১৯ বৰ্ষৰ প্ৰথম ভাগত FTA ৰ সংখ্যা অৱনমিত হৈছে। ইয়াৰ প্ৰধান কাৰণ হিচাপে তলৰ কথাবোৰলৈ আঙুলিয়াব পৰা যায়–
  - য়ুনাইটেড কিংড'মত সংঘটিত ব্ৰেক্সিট পৰিঘটনা
  - ইউৰোপৰ অধিকাংশ অঞ্চল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত উদ্ভৱ হোৱা অৰ্থনৈতিক মন্দাৱস্থাৰ শংকা
  - ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কক লৈ বৃদ্ধি হোৱা উত্তেজনা
  - ভাৰত অভিমুখী বিমানৰ বাবে পাকিস্তানে ইয়াৰ আকাশী পথ বন্ধ কৰি দিয়াৰ ফলত ভ্ৰমণৰ সময় আৰু খৰছ বৃদ্ধি পোৱা
  - ভিছা মাছুলৰ বৃদ্ধি
  - শ্ৰীলংকা, থাইলেণ্ড, মালয়েছিয়া আৰু ভিয়েটনাম আদি দেশে পৰ্যটকৰ পছন্দৰ গন্তব্যস্থানৰূপে আগবঢ়োৱা প্ৰতিযোগিতা ইত্যাদি।
- সেৱা খণ্ডৰ আন এটা প্ৰধান সমস্যা হ'ল দেশৰ অধিকাংশ সেৱাই অসংগঠিত খণ্ডৰ অধীনত কাৰ্য সম্পাদন কৰে। সেয়েহে এনে সেৱাবোৰৰ প্ৰকৃত প্ৰাক্কলন সহজ নহয়। আকৌ, অধিকাংশ কৰ্মসংস্থাপনেই অসংগঠিত খণ্ডত সীমাৱদ্ধ। সেয়েহে, এনে চাকৰিৰ ক্ষেত্ৰত কোনো ধৰণৰ নিৰাপত্তা অথবা দৰমহা আৰু মজুৰিৰ ক্ষেত্ৰত কোনো ধৰণৰ সামঞ্জস্যতা নাই।
- ভাৰতত সেৱা খণ্ডত নৱ-উদ্যমৰ ব্যৱসায় আৰম্ভ কৰাটো এক ব্যয়বহুল প্ৰক্ৰিয়া। কাৰণ, দেশখনৰ অধিকাংশ শ্ৰমিক শক্তিৰে বিভিন্ন কামৰ বাবে প্ৰয়োজনী দক্ষতা নাই।
- ভাৰতত জাহাজেৰে সামগ্ৰী পৰিবহন কৰা কোম্পানীবোৰৰ পৰিচালনা কাৰ্যটো যথেষ্ট ব্যয়বহুল। বিদেশতকৈ ভাৰতত সামগ্ৰী পৰিবহন শুল্ক যথেষ্ট বেছি বাবে বিদেশী নৌপৰিবহনকাৰী কোম্পানীবোৰে ভাৰতলৈ সামগ্ৰী কঢ়িওৱা জাহাজ প্ৰেৰণ কৰিব নোখোজে।
- ভাৰতৰ অধিকাংশ পাইকাৰী আমদানিৰ ক্ষেত্ৰত থকা পৰিবহন চৰ্তাৱলীত যথেষ্ট সমস্যা আছে। দেশত FoB ৰ ভিত্তিত আমদানি নীতি থকা সত্বেও সামগ্ৰীবোৰ C&F/CIF ভিত্তিত আমদানি কৰা হয়। আমদানি বাণিজ্যত ভাৰতীয় কোম্পানীবোৰক ROFR ৰ সা-সুবিধা দিয়া নহয়. ইয়াৰ ফলত সামগ্ৰী পৰিবহনকাৰী ভাৰতীয় জাহাজৰ সংখ্যা আৰু ভাৰতৰ পাইকাৰী আমদানিৰ পৰিমাণ যথেষ্ট কম।

৮.৭ পৰামৰ্শমূলক নীতি-নিয়ম

ভাৰতৰ পৰ্যটন, স্থাৱৰ সম্পত্তি আৰু বেংক খণ্ডৰ পাৰদৰ্শিতা উন্নত কৰাৰ নীতি বিষয়ক কেইটামান পৰামৰ্শ তলত উল্লেখ কৰা হ'ল—

- **পৰ্যটনঃ** ভাৰতক এক পৰ্যটন অনুকূল আৰু পৰ্যটক সুৰক্ষিত দেশ কৰি তোলাৰ প্ৰয়োজন আছে। দেশত অনতিপলমে এটা বিশেষ পৰ্যটক সুৰক্ষা প্ৰদানকাৰী বাহিনী গঠন কৰিব লাগে। বিভিন্ন পৰ্যটন স্থলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশটোলৈ চকু দিব লাগে আৰু এনেবোৰ স্থলৰ সামগ্ৰিক পৰিৱেশ গ্ৰহণযোগ্য তথা স্বীকৃত মানৰ সমপৰ্যায়ৰ কৰি তুলিব লাগে। পৰ্যটন আন্তঃগাঁথনিবোৰ উন্নত কৰি তুলিব লাগে। ইয়াৰ বাবে নগৰ-চহৰৰ মাজমজিয়াৰে বৈ যোৱা নদীবোৰৰ দুয়োপাৰ সুন্দৰ কৰি তুলিব লাগে, হোটেলৰ কোঠাৰ সংখ্যা বৃদ্ধি কৰি পৰ্যটকক থকা স্থানৰ সুবিধা দিব লাগে আৰু কিছুমান পৰ্যটন স্থলৰ ব্যক্তিগতকৰণ ঘটাই আন্তঃগাঁথনি উন্নত কৰিব লাগে। ই-ভিছা আৰু আপ্ৰবাসন (immagration) প্ৰক্ৰিয়াবোৰ উন্নত কৰি তুলিব লাগে। বহুতো উন্নয়নশীল দেশৰ তুলনাত যথেষ্ট সংখ্যক অত্যাধুনিক স্বাস্থ্যসেৱা যন্ত্ৰ আৰু পদ্ধতিৰ ব্যৱহাৰেৰে ভাৰত এক ভাল চিকিৎসা কেন্দ্ৰত পৰিণত হৈছে। সেয়েহে দেশৰ চিকিৎসা পৰ্যটনৰ দিশটোৰ পোষকতা কৰাৰ সময় আহি পৰিছে। চৰকাৰে চিকিৎসালয়ৰ বাবে আমদানিকৃত সামগ্ৰীৰ পোষকতা কৰা উচিত। অন্য দেশৰ লোকক চিকিৎসা পৰ্যটনৰ সুবিধা গ্ৰহণৰ বাবে আকৰ্ষিত কৰা, চিকিৎসা পৰ্যটকৰ বাবে বিভিন্ন সেৱাৰ পে'কে'জ ঘোষণা কৰিব লাগে। এনে বিশেষ সুবিধা দুটামান হ'ল—অত্যাধুনিক চিকিৎসা সুবিধা প্ৰদান, বিমান বন্দৰৰ পৰা এম্বুলেন্স সেৱা, হেলিকপ্তাৰৰ সহায়ত ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰা, চিকিৎসা ভিছা দ্ৰুত গতিত প্ৰদান কৰা, আপ্ৰবাসন আৰু অন্য আনুষ্ঠানিকতাবোৰ সৰল কৰা ইত্যাদি।
- **স্থাৱৰ সম্পত্তি সেৱাঃ** এই কথা আমি আটায়ে জানোঁ যে আৱাসগৃহ আৰু আন্তঃগাঁথনি নিৰ্মাণ খণ্ডটো অতি গুৰুত্বপূৰ্ণ। খণ্ডটোৱে সামাজিক আৰু অৰ্থনৈতিক উন্নয়নত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। খণ্ডটোত অদক্ষ, অৰ্ধ-দক্ষ আৰু দক্ষ শ্ৰমিকৰ লগতে বৃত্তিজীৱী তথা বিশেষজ্ঞ শ্ৰেণীবোৰৰ বাবেও কৰ্মসংস্থাপনৰ সুবিধাৰ সৃষ্টি হয়। স্থাৱৰ সম্পত্তি আৰু গৃহ নিৰ্মাণ খণ্ডৰ বিকাশত বাধাৰ সৃষ্টি কৰা দুটামান সমস্যা তথা প্ৰত্যাহ্বান হ'ল— অনুজ্ঞা পত্ৰত অনুমোদন জনোৱাৰ প্ৰক্ৰিয়াটোত হোৱা বিলম্ব, ষ্টাম্প শুল্কৰে সৈতে সমগ্ৰ ভূমি পঞ্জীয়ন প্ৰক্ৰিয়াটোৰ ব্যয়বহুলতা, ঋণ গ্ৰহণ স্তৰৰ বৃদ্ধি, অপাৰদৰ্শী সম্পত্তি (Non performing Asset: NPA) বোৰৰ বৃদ্ধি, দক্ষ শ্ৰমিকৰ অভাৱ, অগ্ৰাধিকাৰ ভিত্তিত দেশৰ সকলো ৰাজ্যতে নিৰ্মাণৰ অনুজ্ঞাপত্ৰ প্ৰদান প্ৰক্ৰিয়াটো খৰতকীয়া কৰিবলৈ একক পদ্ধতি এটা বিকশাই তোলাৰ প্ৰয়োজনীয়তা, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা স্থাৱৰ সম্পত্তি খণ্ডক পালন কৰিবলৈ দিয়া উচ্চতৰ বিপদসংকুলতা প্ৰশাসনৰ ব্যৱস্থাৱলী আৰু এই খণ্ডটোত হোৱা ক্ৰমহ্ৰাসমান লাভ ইত্যাদি। ইটাৰ বাহিৰে গৃহনিৰ্মাণৰ আন সকলো উপাদানকে GST ৰ ২৮% শুল্ক শিতানৰ অন্তৰ্ভুক্ত কৰা বিষয়টো পুনৰ পৰীক্ষা কৰি চোৱাটো প্ৰয়োজনীয়। চৰকাৰী প্ৰকল্পবোৰৰ ধন

মুকলি কৰি দিয়াত বিলম্ব হোৱাৰ নিয়ম আঁতৰোৱাৰ লগতে মাটি অধিগ্ৰহণৰ সমস্যাটো আঁতৰাবলৈ পুঁজিৰ যোগান ধৰিব লাগে। গৌণ বজাৰৰ সম্প্ৰসাৰণকে ধৰি নতুন বিত্তীয় আহিলাৰ প্ৰচলন ঘটোৱাৰো প্ৰয়োজন আছে। তদুপৰি, ক'ভাৰড্ ব'ণ্ড (Covered Bond) বোৰৰ সম্ভাৱনীয়তাসমূহো বিবেচনা কৰি চোৱা উচিত। এই খণ্ডত থকা সমস্যাবোৰ আঁতৰাবলৈ অগ্ৰাধিকাৰ ভিত্তিত খণ্ডটোক পুনৰুজ্জীৱিত কৰি তোলাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। ই দেশৰ নিবনুৱা সমস্যাটোৰ বহু পৰিমাণে লাঘৱ কৰিব পাৰিব।

- **বেংক খণ্ডঃ** আগতেই উল্লেখ কৰা হৈছে যে ভাৰতৰ সেৱা খণ্ডৰ সবাতোকৈ প্ৰাণৱন্ত অংশ এটা হ'ল বেংক খণ্ডটো। বৰ্তমান বেংক খণ্ডত থকা প্ৰধান সমস্যাটো হৈছে অপাৱদৰ্শী সম্পত্তি (Non-Performing Assets: NPAs) ৰ বিশাল পৰিমাণ। NPA ক 'কু-ঋণ' (bad loan) বুলিও কোৱা হয়। তদুপৰি, আন এটা সমস্যা হ'ল বেংক ব্যৱস্থাপনা, বিশেষকৈ, PSB বোৰৰ ক্ষেত্ৰত দেখা পোৱা অফলপ্ৰসূতা। এই খণ্ডটো শক্তিশালী কৰি তুলিবলৈ শেহতীয়াভাৱে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইবোৰৰ ভিতৰত উল্লেখযোগ্য ব্যৱস্থাটো হ'ল বেংকবোৰৰ লীনভৱন (merger)। কিন্তু এই বিশাল বেংক লীনভৱন প্ৰক্ৰিয়াটো সন্দৰ্ভত দুটা পক্ষই দুই ধৰণে মত প্ৰকাশ কৰি আহিছে। বিষয়টো জানিবলৈ আগ্ৰহীসকলে ইণ্টাৰনেটৰ সহায় ল'ব পাৰে অথবা আগশাৰীৰ অৰ্থনৈতিক বাতৰি কাকত পঢ়ি চাব পাৰে।



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'সেৱা খণ্ড' হ'ল সেৱা আগবঢ়োৱা খণ্ড। অৰ্থনীতি বিজ্ঞানৰ ভাষাত চাহিদাৰ ভিত্তিত সম্পাদন কৰা আৰু প্ৰাসংগিক বজাৰত এক মূল্য নিৰ্ধাৰিত হোৱা যিকোনো কাৰ্যাৱলী অথবা কাৰ্যকে 'সেৱা' বোলা হয়। 'সেৱা'ক এক অস্থাৱৰ সামগ্ৰী (intangible goods) বুলিও জনা যায়। 'সেৱা'ক উৎপাদন স্থলীতে উপভোগ কৰা হয় আৰু সেৱাবোৰ সাধাৰণতে অ-হস্তান্তৰসাধ্য।
- পৰম্পৰাগত অৰ্থনীতিত মুঠ তিনিটা খণ্ড থাকে— প্ৰধান খণ্ড, গৌণ খণ্ড আৰু তৃতীয় খণ্ড। প্ৰধান খণ্ডত কৃষি আৰু অন্য সহযোগী সেৱাবোৰৰ সৈতে জড়িত কাৰ্যকলাপক সামৰি লোৱা হয়। গৌণ খণ্ডত ঔদ্যোগিক কাৰ্যকলাপ আৰু তৃতীয় খণ্ডত বাণিজ্য, হোটেল আৰু ৰেস্তোৰাঁ, পৰিবহন, ভাণ্ডাৰ আৰু সংযোগ, বিত্ত, বীমা স্থাৱৰ সম্পত্তি, ব্যৱসায়িক সেৱা আৰু সামূহিক- সামাজিক- ব্যক্তিগত সেৱাবোৰক ৰখা হয়।
- পাৰ হৈ যোৱা বছৰবোৰত সৰ্বমুঠ ঘৰুৱা উৎপাদন (GDP)ত সেৱা খণ্ডৰ অৰিহণাৰ পৰিমাণ ক্ৰমে বাঢ়ি গৈ আছে আৰু ইয়াৰ বিপৰীতে কৃষিখণ্ডৰ অৱদান দ্ৰুতগতিত অৱনমিত হৈছে। আনহাতে, দেশখনৰ ঔদ্যোগিক বিকাশৰ হাৰ কম-বেছি পৰিমাণে স্থিৰ হৈ আছে। ১৯৫০-৫১ চনৰ পৰা ২০১৩-১৪ চনৰ পৰিসংখ্যালৈ লক্ষ্য কৰিলে গম পোৱা যাব যে এই সময়ছোৱাত (GDP)ত কৃষিখণ্ডৰ অৱদান ৫৩ শতাংশৰ পৰা ১৩.৯ শতাংশলৈ কমিছে। কিন্তু, ১৯৫০-৫১ চনত প্ৰায় ৩০ শতাংশ অৱদান আগবঢ়োৱা সেৱাখণ্ডই ২০১৩-১৪

চনত ৫৯.৯% অৱদান আগবঢ়াইছে।

- শেহতীয়া বৰ্ষবোৰত ভাৰতত সেৱা খণ্ডৰ এক অগ্ৰণী খণ্ডৰূপে উত্থান ঘটিছে। খণ্ডটোৱে ভাৰতৰ (GDP)লৈ সৰ্ব্বৃহৎ অৱিহণা আগবঢ়াবলৈ লৈছে। দেশত কৃষি খণ্ডৰ পাছত সেৱা খণ্ডই হ'ল নিয়োগৰ সুবিধা সৃষ্টিকাৰী দ্বিতীয়টো সৰ্ব্বৃহৎ খণ্ড।
- ভাৰতৰ সেৱা খণ্ডই বিভিন্ন প্ৰত্যাহ্বানৰ মুখামুখি হ'বলগীয়া হৈছে। এনে প্ৰত্যাহ্বান দুটামান হ'ল— অধিকাংশ সেৱাই অসংগঠিত খণ্ডৰ অধীনত কাম কৰি গৈ আছে, মজুৰিৰ ক্ষেত্ৰত অসমতা আছে, নৱ-উদ্যমৰ ব্যৱসায় আৰম্ভ কৰাটো এতিয়াও এক ব্যয়বহুল প্ৰক্ৰিয়া হৈ আছে, GST আৰু বিমুদ্ৰাকৰণৰ প্ৰভাৱ তথা আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু সমস্যাবোৰৰ প্ৰভাৱ আদি।
- দেশৰ সেৱা খণ্ডটো উন্নত কৰিবলৈ ভাৰত চৰকাৰে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব লাগিব, যেনে- চুপাৰ স্পেচিয়েলিটি চিকিৎসালয় স্থাপন, কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে মানচিত্ৰ গ্ৰহণৰ ব্যৱস্থা আৰু বৃত্তিজীৰী সেৱা আগবঢ়োৱা ইত্যাদি। ভাৰতত বিকাশৰ উচ্চ সম্ভাৱনীয়তা আছে। ভাৰতৰ এই দিশবোৰৰ ব্যয় ফলপ্ৰসূতা বৃদ্ধি কৰিব পৰাকৈ প্ৰয়োজনীয় সমল আছে। ভাৰতৰ বাবে অত্যন্ত সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ এখন হ'ল স্বাস্থ্য পৰ্যটন।

৮.৯ অধিক জানিবলৈ

1) Dhar, P.K. *Indian Economy: Its Growing Dimension.* New Delhi: Kalyani Publishers.
2) Mukherjee, D. *Indian Economy Since Independence.* Kolkata: New Central Book Agency (p) Ltd.
3) Kapila, U. *Indian Economy Since Independence.* New Delhi: Academic Foundation
4) Malayala Manoroma. *Manorama yearbook 2018.*
5) Pratiyogita Darpan, Extra Issue on General Studies Indian Economy .

৮.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ 'সেৱা খণ্ড' হ'ল সেৱা আগবঢ়োৱা খণ্ড।

২ নং প্ৰশ্ন উত্তৰ ঃ প্ৰধান খণ্ডত কৃষি আৰু অন্য সহযোগী সেৱাবোৰৰ সৈতে জড়িত কাৰ্যকলাপক সামৰি লোৱা হয়।

৩ নং প্ৰশ্ন উত্তৰ ঃ শেহতীয়া বৰ্ষবোৰত ভাৰতত সেৱা খণ্ডৰ এক অগ্ৰণী খণ্ডৰূপে উত্থান ঘটিছে। খণ্ডটোৱে ভাৰতৰ (GDP)লৈ সৰ্ব্বৃহৎ অৱিহণা আগবঢ়াবলৈ লৈছে। দেশত কৃষি খণ্ডৰ পাছত সেৱা খণ্ডই হ'ল নিয়োগৰ সুবিধা সৃষ্টিকাৰী দ্বিতীয়টো সৰ্ব্বৃহৎ খণ্ড।

৪ নং প্ৰশ্ন উত্তৰ ঃ ১৯৫০-৫১ চনত প্ৰায় ৩০ শতাংশ অৱদান আগবঢ়োৱা সেৱাখণ্ডই ২০১৩-১৪ চনত ৫৯.৯% অৱদান আগবঢ়াইছে।

৮.১১ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ সেৱা খণ্ড কি? উদাহৰণ দিয়ক।

২ নং প্ৰশ্ন ঃ মধ্যস্থ মুনাফা কি? সেৱা খণ্ডত এনে মুনাফা আহৰণ কৰাটো সম্ভৱনে?

৩ নং প্ৰশ্ন ঃ ভাৰতৰ (GDP)লৈ শেহতীয়াভাৱে সেৱা খণ্ডটোৱে কিমান অৱিহণা আগবঢ়াইছে?

৪ নং প্ৰশ্ন ঃ ভাৰতৰ সেৱা খণ্ডৰ অধীনৰ বিভিন্ন উপ-খণ্ডৰ শেহতীয়া বিকাশ আলোচনা কৰক।

৫ নং প্ৰশ্ন ঃ ভাৰতৰ সেৱা খণ্ডই মুখামুখি হোৱা প্ৰধান প্ৰত্যাহ্বানবোৰ কি? ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতে স্বাধীনতা লাভ কৰাৰ পৰা আজিলৈকে তিনিওটা খণ্ডই আগবঢ়োৱা অৱদানবোৰ তুলনা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতৰ পৰ্যটন খণ্ডত থকা প্ৰধান প্ৰত্যাহ্বানবোৰ কি কি?

৩ নং প্ৰশ্ন ঃ ভাৰতত পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব?

৪ নং প্ৰশ্ন ঃ ভাৰতত স্বাস্থ্য পৰ্যটনৰ সম্ভাৱনা আছে বুলি আপুনি ভাবেনে? উত্তৰৰ সপক্ষে ব্যাখ্যা দাঙি ধৰক।

৫ নং প্ৰশ্ন ঃ ভাৰতত তথ্য প্ৰযুক্তি-ব্যৱসায়িক প্ৰক্ৰিয়া ব্যৱস্থাপনা উদ্যোগটোৰ বিষয়ে আলোচনা কৰক।

৬ নং প্ৰশ্ন ঃ GST ৰ বাবে ভাৰতৰ সেৱা খণ্ডত হোৱা পৰিৱৰ্তন বোৰৰ বিষয়ে আপুনি কি জানে?

৭ নং প্ৰশ্ন ঃ ভাৰতৰ সেৱা খণ্ডত বিমুদ্রাকৰণে কেনেধৰণৰ প্ৰভাৱ পেলাইছে? চমুকৈ আলোচনা কৰক।

৮ নং প্ৰশ্ন ঃ ভাৰতীয় সেৱা খণ্ডৰ উন্নতিৰ বাবে আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব খোজে?

৯ নং প্ৰশ্ন ঃ ভাৰতত সেৱা খণ্ডৰ বিকাশত বেংক খণ্ডৰ ভূমিকা ব্যাখ্যা কৰা।

১০ নং প্ৰশ্ন ঃ ভাৰতত সেৱা খণ্ডৰ সামগ্ৰিক বিকাশত পৰ্যটন খণ্ডৰ তাৎপৰ্য ব্যাখ্যা কৰক। খণ্ডটোৰ উন্নতি সাধন কৰিব পৰা নীতি কেইটামান আলোচনা কৰক।

*** ***** ***